ত্রিপুৰা

ত্রিপুৰাৰ পৌৰ নির্বাচনত পুৱা ৯ বজালৈ ১৮ শতাংশ ভোটদান, বুথ দখলৰ অভিযোগ মাণিক সৰকাৰৰ

ত্রিপুৰাৰ ১৬টা নগৰীয়া সংস্থাত পুৱা ৯ বজালৈ ১৮ শতাংশ ভোটদান সাব্যস্ত হয়। শাসকীয় বিজেপিৰ বিৰুদ্ধে বুথ দখলৰ অভিযোগ তুলিছে প্ৰাক্তন মুখ্যমন্ত্ৰী মাণিক সৰকাৰে।

প্ৰকাশ: ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৭



আগৰতলা, ২৭ নৱেম্বৰ: ত্রিপুৰাৰ পৌৰ নির্বাচনত পুৱাৰ ভাগত প্ৰায় ১৮ শতাংশ ভোটদান সাব্যস্ত হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়াক লৈ ৰাজ্যখনত তীব্ৰ ৰাজনৈতিক বিতৰ্কৰো সৃষ্টি হৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰী তথা চিপিআই(এম)ৰ জ্যেষ্ঠ নেতা মাণিক সৰকাৰে শাসকীয় বিজেপিৰ সমৰ্থকসকলৰ বিৰুদ্ধে বিভিন্ন স্থানত বুথ দখলৰ গুৰুতৰ অভিযোগ তুলিছে। নির্বাচন আয়োগৰ বিষয়াসকলে অৱশ্যে ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে চলি থকা বুলি জনাইছে।

শুকুৰবাৰে পুৱা ৭ বজাৰ পৰা ৰাজ্যখনৰ ১৬টা নগৰীয়া স্থানীয় নিকায়ত ভোটগ্ৰহণ আৰম্ভ হয়। ইয়াৰ ভিতৰত আগৰতলা পৌৰ নিগম, পৌৰ পৰিষদ আৰু নগৰ পঞ্চায়তসমূহো আছে। ৰাজ্যিক নির্বাচন আয়োগৰ সচিব অনুৰাগ সেনে জানিবলৈ দিয়া মতে, পুৱা ৯ বজালৈ প্ৰায় ১৮ শতাংশ ভোটদান সাব্যস্ত হয়। প্ৰাৰম্ভিক পর্যায়ত দুটাৰ পৰা তিনিটা ইভিএমত কাৰিকৰী বিজুতি দেখা দিয়াত সেইবোৰ সলনি কৰা হয় আৰু ইয়াৰ বাহিৰে ভোটগ্ৰহণত কোনো ডাঙৰ বাধাৰ সৃষ্টি হোৱা নাই বুলি বিষয়াগৰাকীয়ে জনায়।

আগৰতলাত ভোটদান কৰি ওলাই অহাৰ পাছত মাণিক সৰকাৰে সাংবাদিকৰ আগত অভিযোগ কৰে যে কৈলাশহৰ, কুমাৰঘাট, পানীসাগৰ আৰু সাব্রুমকে ধৰি কেইবাটাও অঞ্চলত বিজেপিৰ সমর্থকে বুথ দখল কৰাৰ খবৰ পোৱা গৈছে। কিছুমান স্থানত ভোটগ্রহণ চলি থাকিলেও আন কেইবাটাও বুথত অনিয়ম সংঘটিত হৈছে বুলি তেওঁ দাবী কৰে। লগতে প্রার্থীৰ ওপৰত আক্রমণ আৰু মহিলাক শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগো তেওঁ উত্থাপন কৰে। অৱশ্যে তেওঁ নিজে ভোটদান কৰোঁতে কোনো সমস্যাৰ সন্মুখীন হোৱা নাছিল বুলি উল্লেখ কৰে।

ৰাজ্যখনৰ মুখ্যমন্ত্রী মাণিক সাহাই ৰাজ্যজুৰি শান্তিপূর্ণভাৱে ভোটগ্রহণ চলি থকা বুলি দাবী কৰাৰ পিছত সৰকাৰে চৰকাৰী দাবীৰ ওপৰত নির্ভৰ নকৰি ঘটনাস্থলীলৈ গৈ পৰিস্থিতি পৰীক্ষা কৰিবলৈ আহ্বান জনায়।

এই নির্বাচনত মুঠ ৫,৬৫,৫১৩গৰাকী ভোটাৰ আছে। ইয়াৰে ২,৭৬,৬৩১গৰাকী পুৰুষ, ২,৮৮,৮৩৯গৰাকী মহিলা আৰু ৪৩গৰাকী তৃতীয় লিংগৰ ভোটাৰ। নির্বাচন পৰিচালনাৰ বাবে প্রায় ৪,৬০০গৰাকী কর্মচাৰী নিয়োগ কৰা হৈছে। নিৰাপত্তা ব্যৱস্থাৰ বাবে ত্রিপুৰা আৰক্ষী আৰু ত্রিপুৰা ষ্টেট ৰাইফলছৰ প্রায় ৭,০০০ জোৱানৰ লগতে ৩৯টা কোম্পানীৰ প্রায় ৩,০০০ কেন্দ্রীয় সশস্ত্র আৰক্ষী বাহিনীৰ জোৱান মোতায়েন কৰা হৈছে। বিচ্ছিন্ন কেইটামান ঘটনা ঘটিলেও তৎপৰতাৰে পৰিস্থিতি নিয়ন্ত্রণলৈ অনা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6874/tripura-civic-polls-voting-turnout-allegations